# 2023

## ASSAMESE

( Honours Generic/Regular Course )

Paper : ASM HG/RC–4016

**( Adhunik Asomiya Giti Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) লক্ষ্মীৰাম বৰুৱাই ৰচনা কৰা এখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

(খ) বনগীতৰ স্ৰষ্টা কোন?

(গ) 'নিশ্চয় নিশ্চয় মই কওঁ আটাহ পাৰি'—গীতফাকিত উল্লিখিত 'আটাহ' শব্দৰ অৰ্থ লিখা।

(ঘ) তোমাৰ পাঠ্যৰ অন্তৰ্গত কোনগৰাকী গীতিকাৰক 'গীতিকবি' বোলা হয়?

(ঙ) 'মোৰ গানত জ্বলে' শীৰ্ষক গীতত জ্যোতিপ্ৰসাদে কাক সাৱধান বাণী শুনাইছে?

(চ) 'অ অসমীয়া ডেকা দল' গীতত উল্লিখিত যি কোনো এখন গ্ৰন্থৰ নাম লিখা।

(ছ) কেশৱ মহন্তই কোনখন গীতৰ পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

(জ) নৱকান্ত বৰুৱাৰ একমাত্ৰ গীতৰ সংকলনখনৰ নাম কি?

(ঝ) 'সন্ধিয়াৰ আকাশত' শীৰ্ষক গীতটোত গীতিকাৰক কোনে ৰিঙিয়াই মাতে?

(ঞ) 'মোৰ গীত' নামৰ গীতৰ সংকলনটিৰ ৰচক কোন?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) আধুনিক অসমীয়া গীত সম্পৰ্কে লিখা প্ৰথমখন গ্ৰন্থৰ নাম উল্লেখ কৰা। গ্ৰন্থখনৰ ৰচক কোন?

(খ) পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীতত কোনগৰাকী বঙালী কবিৰ প্ৰভাৱ বিদ্যমান? তেওঁৰ 'পূজো আহা আই মাতৃ' শীৰ্ষক গীতটোত কাক 'দুখিত আতুৰ' বোলা হৈছে?

(গ) 'লুইত কোঁৱৰ' বুলিলে কোনগৰাকী গীতিকাৰক বুজা যায়? তেওঁৰ এখন গীতৰ সংকলনৰ নাম উল্লেখ কৰা।

(ঘ) তফজ্জুল আলিয়ে সংগীত পৰিচালনা কৰা দুখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া বোলছবিৰ বাবে ৰচনা কৰা দুটি গীতৰ শীৰ্ষ শাৰী উল্লেখ কৰা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "গীতিসাহিত্য আমাৰ আধুনিক সাহিত্যৰ এটি অবহেলিত আৰু দুৰ্বল অংগ।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(খ) 'হেৰা আমাৰ জন্মভূমি' শীৰ্ষক গীতত কিদৰে স্বদেশপ্ৰীতিৰ সঞ্চাৰ ঘটিছে, দেখুওৱা।

(গ) 'হঞেৰা জেতুকী বাই' গীতটোত জেতুকী বাইৰ চৰিত্ৰটোৱে সমাজৰ কোনটো শ্ৰেণীক, কিদৰে প্ৰতিনিধিত্ব কৰিছে, আলোচনা কৰা।

(ঘ) 'নিয়ৰৰে ফুল' গীতত গীতিকাৰৰ ব্যক্তিগত জীৱনৰ কাৰুণ্য কিদৰে প্ৰকাশিত হৈছে, বিশ্লেষণ কৰা।

(ঙ) 'হে দোলা' শীৰ্ষক গীতত সমাজৰ নিঃস্ব শ্ৰেণীৰ দুৰ্দশাৰ চিত্ৰখন কি ধৰণে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(চ) 'মাহ হালধিৰে' গীতৰ বিষয়বস্তুৰ আভাস দিয়া।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) "১৯৪৮ চনত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰ (শ্বিলং–গুৱাহাটী) স্থাপন হোৱাৰে পৰা অসমীয়া সংগীত আৰু গীতিসাহিত্যৰ এটা নতুন স্তৰ আৰম্ভ হোৱা বুলি ক'ব পাৰি।" কথাষাৰ বিশ্লেষণ কৰা।

(খ) আধুনিক অসমীয়া গীতিসাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ যুগান্তকাৰী অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ বিভিন্ন বিষয়বস্তু সম্পৰ্কে এক পৰ্যালোচনা আগবঢ়োৱা।

(ঘ) 'কাউৰী পৰে' গীতত গ্ৰামীণ লোকসমাজৰ সৰলতা কিদৰে প্ৰকট হৈছে, আলোচনা কৰা।

(ঙ) তফজ্জুল আলিৰ 'বহুদিন বকুলৰ' শীৰ্ষক গীতটোৰ ভাববস্তু বিশ্লেষণ কৰা।

(চ) 'সন্ধিয়াৰ আকাশত' গীতত নাৰী মনৰ কাৰুণ্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ছ) 'তোমাৰ বাবেই' শীৰ্ষক গীতত প্ৰকাশিত ৰোমাণ্টিক চেতনাৰ বিষয়ে বিৱৰি লিখা।

(জ) কেশৱ মহন্ত, নৱকান্ত বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ কাব্যিক আবেদন সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

★★★